# 2019

## ASSAMESE

## ( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'তেজীমলাৰ সাধু'টো কোন শ্ৰেণীৰ সাধু ?

(খ) "প্ৰথমে প্ৰণামো/দেৱী সৰস্বতী/দ্বিতীয় প্ৰণামো হৰি/ তৃতীয়ে প্ৰণামো/গাঁৱৰ বুঢ়া মেথা/ধৰি যাওঁ নামৰে গুৰি।" কি শ্ৰেণীৰ গীতৰ উদাহৰণ ?

(গ) 'শ্ৰীকৃষ্ণ কীৰ্তন' কাব্যৰ খণ্ড সংখ্যা কিমান ?

(ঘ) প্ৰাক্-শংকৰী যুগৰ প্ৰথম কবি কোন ?

(ঙ) 'সাত্যকি প্ৰৱেশ'ৰ অনুবাদক কোন ?

(চ) কাক 'অসমীয়া ব্যাস' বুলি জনা যায় ?

(ছ) 'ভক্তি প্ৰদীপ'ৰ ৰচক কোন ?

(জ) প্ৰথম অসমীয়া শিলালিপি কোনখন ?

(ঝ) ভুবিৰ তাম্ৰ শাসন কোন সময়ৰ?

(ঞ) কোনে বৰগীতক 'Noble Numbers' বুলি আখ্যা দিছে?

২। এটা বা দুটা বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) 'ভাৰাইয়া' আৰু 'ছটকা' গীত কোন শ্ৰেণীৰ? এই গীতসমূহ কোন অঞ্চলত প্ৰচলিত?

(খ) ভটিমা কেইপ্ৰকাৰৰ? মাধৱদেৱে কোনটো ভটিমা ৰচনা কৰিছিল?

(গ) 'জয়দ্ৰথ বধ' কাব্যৰ ৰচক কোন? তেওঁ কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(ঘ) অনন্ত কন্দলীৰ পিতৃদত্ত নাম কি? তেওঁ ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া ছপাপুথি কোনখন? ই কেতিয়া প্ৰকাশ পাইছিল?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) কুটিল লিপি সম্পৰ্কে এটি টোকা লিখা।

(খ) অসমীয়া কৰ্ম-বিষয়ক গীতৰ বিষয়ে চমুকৈ লিখা।

(গ) মাধৱদেৱৰ বৰগীতত বাৎসল্য ৰসৰ প্ৰকাশ কিদৰে ঘটিছে?





(ঘ) সুকবি নাৰায়ণদেৱৰ 'পদ্মাপুৰাণ' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) অসমীয়া সাহিত্যৰ ইতিহাসত 'শ্ৰীকৃষ্ণ কীৰ্তন' গ্ৰন্থৰ গুৰুত্ব বিচাৰ কৰা।

৪। (ক) বেলাড বা মালিতাৰ বিষয়ে এটি নিৱন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) সাধুকথাৰ মাজেৰে অসমীয়া সমাজজীৱনৰ প্ৰতিফলন কিদৰে ঘটিছে? বিভিন্ন শ্ৰেণীৰ সাধুকথাৰ আধাৰত বিচাৰ কৰা।

৫। (ক) অসমীয়া কাব্য-সাহিত্যলৈ হেম সৰস্বতীৰ অৱদান সম্পৰ্কে এটি আলচ যুগুত কৰা। ১০

*অথবা*

(খ) প্ৰাক্-শংকৰী যুগৰ অসমীয়া যুদ্ধ-কাব্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) "লৌকিকতা—পাঁচালি কাব্যৰ অন্যতম বিশেষত্ব।" পাঁচালি কবি দুৰ্গাবৰ আৰু মনকৰৰ কাব্যৰ আধাৰত কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) "প্ৰাক্-শংকৰী যুগৰ কবিসকলে প্ৰতিষ্ঠা কৰা সাহিত্য ভেটিটো সবল হৈ উঠে শংকৰী যুগত।" কথাষাৰ বিশ্লেষণ কৰা।

৭। (ক) অসমীয়া লিপিয়ে তাম্ৰলেখ আৰু শিলালেখৰ মাজেৰে কেনেদৰে বিকাশ প্ৰাপ্ত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ মাজ ভাগলৈ অসমীয়া লিপিৰ ক্ৰমবিকাশৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

★★★